**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় চৰকাৰে অসমত ব্ৰহ্মপুত্ৰৰ তলেৰে পথ আৰু ৰেলৰেৰ দ্বৈত সুৰংগ পথ নিৰ্মানত অনুমোদন জনাইছে।

২। সমগ্ৰ দেশজুৰি আজি মহা শিৱৰাত্ৰি উদযাপন কৰা হৈছে। এই উপলক্ষে দেশৰ ভিন ভিন ৰাজ্যত দেৱাদিদেৱ মহাদেৱৰ পূৰ্জা-অৰ্চনাৰ আয়োজন কৰা হৈছে।

৩। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত নতুনকৈ চাৰিগৰাকী মহাকাশচাৰী উপস্থিত হোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰটোৰ সদস্যৰ সংখ্যা ইয়াৰ সামৰ্থ্যৰ সমান হৈছে।

আৰু

৪। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ বাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলত নেপালে ৱেষ্ট ইণ্ডিজক জয়ৰ বাবে ১৩৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আৰু প্ৰতিযোগিতাৰ আন এখন খেলত কলোম্বʼৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব।

০০০০০০০

সমগ্ৰ দেশজুৰি আজি মহা শিৱৰাত্ৰি উদযাপন কৰা হৈছে। এই উপলক্ষে দেশৰ ভিন ভিন ৰাজ্যত দেৱাদিদেৱ মহাদেৱৰ পূৰ্জা- অৰ্চনাৰ আয়োজন কৰা হৈছে। অসমতো মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ ঐতিহ্যপূৰ্ণ শিৱ মন্দিৰসমূহকে ধৰি বিভিন্ন স্থানত মহাদেৱৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, লংকেশ্বৰ মন্দিৰ, গুৱাহাটী আৰু ডিব্ৰুগড়ৰ সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, নেঘেৰীটিঙৰ শিৱ মন্দিৰ, দৰং জিলাৰ নাৰিকলি মন্দিৰকে ধৰি বিভিন্ন স্থানত আজি শিৱৰ আৰাধনা কৰা হৈছে।

শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত কালিৰে পৰা মহা শিৱৰাত্ৰি পূজা আৰু পাঁচদিনীয়া মেলাৰ আয়োজন কৰা হৈছে। মহাদেৱৰ পূজা-অৰ্চনাৰ বাবে শিৱদৌলত আজি পুৱাৰে পৰা হাজাৰ হাজাৰ ভক্তৰ আগমন ঘটিছে। তিনিচুকীয়া নগৰৰ শিৱ থান, বৰডুবিৰ টিলিঙা মন্দিৰ, ডিব্ৰুগড়ৰ পাঁচআলিৰ শিৱ মন্দিৰ, চৌকিডিঙ্গি শ্মশানত থকা শিৱ মন্দিৰ, নগাঁৱৰ সাৰ্বজনীন শিৱমন্দিৰ, মালভোগবাবা আশ্ৰম শিৱমন্দিৰ আদি মন্দিৰতো আজি শিৱ চতুদৰ্শী তিথিৰ সৈতে সংগতি ৰাখি মহা শিৱৰাত্ৰি পূজা আৰু মহামেলা উৎসৱৰ আয়োজন কৰা হৈছে। শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি বৰাক উপত্যকাৰ প্ৰাচীন শৈৱতীৰ্থ ভূৱন তীৰ্থক্ষেত্ৰত ভূৱন মেলা আৰম্ভ হৈছে। শিৱৰাত্ৰি উপলক্ষে লাখ লাখ তীৰ্থযাত্ৰীয়ে ভূৱন পাহাৰ বগাবলৈ আৰম্ভ কৰিছে।

মহা শিৱৰাত্ৰি উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাত দেশৰ প্ৰতিগৰাকী নাগৰিককে উন্নতিৰ পথত আগবঢ়াই নিবৰ বাবে আশিস অব্যাহত ৰাখিবলৈ দেৱাদিদেৱ মহাদেৱৰ প্ৰতি

প্ৰাৰ্থনা জনায়। উপ ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত এই উৎসৱক কাশীৰ পৰা ৰামেশ্বৰমলৈ দেশৰ আধ্যাত্মিক পৰম্পৰাৰ জীৱন্ত প্ৰতীক বুলি অভিহিত কৰে। তেওঁ মহাদেৱ আৰু দেৱী পাৰ্বতীৰ আশীৰ্বাদে দেশবাসীলৈ সুখ, উন্নতি আৰু সুস্বাস্থ্য কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

একেদৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ভগৱান শিৱৰ কৃপাৰ জৰিয়তে দেশখনে উন্নতিৰ উচ্চ শিখৰত আৰোহণ কৰিব বুলি আশা প্ৰকাশ কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু গৃহমন্ত্ৰী অমিত শ্বাহেও মহাশিৱৰাত্ৰিৰ পৱিত্ৰ ক্ষণত দেশৱাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে।

0000000

আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ISSক নতুনকৈ চাৰিগৰাকী মহাকাশচাৰী উপস্থিত হোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰটোৰ সদস্যৰ সংখ্যা ইয়াৰ সামৰ্থ্যৰ সমান হৈছেগৈ। স্বাস্থ্যজনিত কাৰণত কেন্দ্ৰটোত থকা চাৰিগৰাকী মহাকাশচাৰী আগতীয়াকৈ উভতি অহাৰ পাছত শেহতীয়াকৈ চাৰিগৰাকী সদস্য ISSত উপস্থিত হয়। ৮ৰ পৰা ৯ মাহ সময় মহাকাশ কেন্দ্ৰটোত কটাবলগীয়া এই সদস্যসকল হ'ল নাছাৰ মহাকাশচাৰী জেছিকা মেইৰ আৰু জেক হেথাৱে, ফ্ৰান্সৰ ছ'ফি এডেনট আৰু ৰাছিয়াৰ আন্দ্ৰেই ফেডিয়েভ।

উল্লেখযোগ্য যে, নাছাৰ মহাকাশচাৰীৰ ৬৫ বছৰীয়া ইতিহাসত যোৱা মাহত প্ৰথমবাৰৰ বাবে স্বাস্থ্যজনিত কাৰণত কেন্দ্ৰটোত সদস্যৰ সংখ্যা হ্ৰাস কৰিবলগীয়া হৈছিল।

000000000

কেন্দ্ৰীয় চৰকাৰে অসমত ব্ৰহ্মপুত্ৰৰ তলেৰে পথ আৰু ৰে'লৰ এটা দ্বৈত সুৰংগ পথ নিৰ্মাণত অনুমোদন জনাইছে। অৰ্থনৈতিক পৰিক্ৰমা দপ্তৰৰ কেবিনেট সমিতিয়ে অনুমোদন জনোৱা ১৫ দশমিক ৭-৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই সুৰংগটোৱে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গহপুৰক ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নুমলীগড়ৰ সৈতে সংযুক্ত কৰিব। ইযাৰ ফলত এই পথচোৱাৰ ভ্ৰমণৰ বাবে প্ৰয়োজন হোৱা সময় বৰ্তমানৰ ৬ ঘণ্টাৰ পৰা মাত্ৰ কুৰি মিনিটলৈ হ্ৰাস পাব।

ব্ৰহ্মপুত্ৰৰ তলেৰে পথ আৰু ৰে'ল চলাচলৰ চাৰিশৰীয়া প্ৰৱেশ নিয়ন্ত্ৰিত গ্ৰীণফিল্ড সংযোগ হিচাপে গঢ়িবলগীয়া প্ৰকল্পৰ অংশহিচাপে এই প্ৰস্তাৱিত সুৰংগ পথটো নিৰ্মাণ কৰা হ'ব। এই প্ৰকল্পৰ দ্বাৰা অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহো উপকৃত হ'ব। তদুপৰি ইয়াৰ ফলত যাত্ৰীৰ পৰিবহণ ব্যয় আৰু সময়ো ৰাহি হ'ব। এই প্ৰকল্পৰ জৰিয়তে প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ বৃদ্ধি পোৱাৰ উপৰি অঞ্চলটোৰ সামগ্ৰিক বিকাশো ত্বৰান্বিত হ'ব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে, এয়া হ'ব দেশৰ প্ৰথমটো আৰু বিশ্বৰ দ্বিতীয়টো পানীৰ তলৰ পথ আৰু ৰে'লৰ সুৰংগ।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় কেবিনেটে নগৰীয়া প্ৰত্যাহ্বান পুঁজিৰ ১ লাখ কোটি টকা আৰ্থিক অনুমোদনৰ প্ৰশংসা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে শ্ৰীমোদীয়ে কয় যে এই পুঁজিয়ে বজাৰ আৰু ব্যক্তিগত অংশগ্ৰহণৰ জৰিয়তে উচ্চমানৰ নগৰীয়া আন্তঃগাঁঠনি প্ৰদান কৰিব। তেওঁ কয় যে এই পদক্ষেপে চহৰসমূহক দেশৰ অৰ্থনৈতিক বিকাশৰ মূল চালক হিচাপে গঢ়ি তুলিব। মুঠ ১ লাখ কোটি টকাৰ কেন্দ্ৰীয় সাহায্যৰে গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ পৃষ্ঠপোষকতাত নগৰীয়া প্ৰত্যাহ্বান পুঁজি গঠন কৰা হৈছে। এই পুঁজিৰ লক্ষ্য হৈছে স্থিতিস্থাপক, উৎপাদনশীল আৰু স্বাস্থ্যকৰ জলবায়ুৰ উপযোগী চহৰ গঢ়ি তোলা আৰু এই চহৰসমূহক দেশৰ পৰৱৰ্তী পৰ্যায়ৰ অৰ্থনৈতিক বৃদ্ধিৰ মূল চালক হিচাপে স্থান দিয়া।

২০২৫-২৬ বিত্তীয় বৰ্ষৰ পৰা ২০৩০-৩১ বিত্তীয় বৰ্ষলৈ এই পুঁজি কাৰ্যক্ষম আৰু ২০৩৩-৩৪ বিত্তীয় বৰ্ষলৈকে ইয়াৰ কাৰ্যকৰীকৰণৰ সময়সীমা বৃদ্ধি কৰিব পৰা যাব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হেৰাথ পোষ্টে উপলক্ষ্যে কাশ্মীৰী পণ্ডিত সমাজলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে কয় যে এই উৎসৱে কাশ্মীৰী পণ্ডিত সমাজৰ চহকী পৰম্পৰাক প্ৰতিফলিত কৰে। সকলোৰে জীৱনত সুস্থতাৰ কামনা কৰি এই হেৰাথ পোষ্টে সফলতাৰ নতুন পথ মুকলি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে জাৰ্মানী, জাপান আৰু ব্ৰাজিলৰ বিদেশ মন্ত্ৰীসকলক সাক্ষাৎ কৰে। জাৰ্মানীত অনুষ্ঠিত এখন বৈঠকত G4 দেশ কেইখনৰ বিদেশ মন্ত্ৰীসকল মিলিত হয়। বৈঠকত ড০ জয়শংকৰে সংস্কাৰিত বহু পক্ষীয়তাবাদৰ বিষয়ে আলোচনা কৰে। ২০২৬ চনৰ মিউনিখ নিৰাপত্তা পৰিষদৰ সন্মিলনৰ পৰিপ্ৰেক্ষিতত প্ৰথমবাৰৰ বাবে এই বৈঠক অনুষ্ঠিত হৈছে।

০০০০০০০০০

ভাৰতীয়া সেনাৰ ক'ৰ অব ছিগনেলৰ ১১৬ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উদযাপন কৰা হৈছে। ১৯১১ চনৰ আজিৰ দিনটোত প্ৰতিষ্ঠা লাভ কৰা ক'ৰ অব ছিগনেলে বিগত সময়ছোৱাত ভাৰতীয় সেনাৰ যোগাযোগ ব্যৱস্থাৰ সংস্কাৰ সাধন কৰি ক্ৰমান্বয়ে একবিংশ শতিকাৰ ডিজিটেল বিপ্লৱৰ সৈতে সামঞ্জস্য ৰাখি আগবাঢ়িবলৈ সমৰ্থ হৈছে। বিভিন্ন সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বান তথা প্ৰতিকূল পৰিস্থিতিৰ মাজতো ভাৰতীয় সেনাক যোগাযোগৰ ক্ষেত্ৰত অত্যাধুনিক  প্ৰযুক্তিৰে সমৃদ্ধ কৰি সময়ৰ সৈতে ফেৰ মাৰি আগবাঢ়ি যোৱাৰ পথত ক'ৰ অব ছিগনেলে অনবদ্য অৱদান আগবঢ়াই আহিছে।

০০০০০০০০০

লাডাখত আজিৰে পৰা ২টা প্ৰধান মঠৰ উৎসৱ **লেহ দোস্মোচেয়** আৰু **লিকিৰ মঠ দোস্মোচেয়** ধৰ্মীয় ৰীতি নীতি আৰু পৰম্পৰাৰে পালন কৰা হৈছে। এই উৎসৱত অন্যায়ৰ বিপৰীতে ন্যায়ৰ জয়ৰ প্ৰতীক, সন্যাসীসকলে পৰিৱেশন কৰা পবিত্ৰ বৌদ্ধ তান্ত্ৰিক মুখা নৃত্যত আলোকপাত কৰা হয়। কষ্টকৰ শীত ঋতুৰ সামৰণি আৰু কৃষি কাৰ্যৰ প্ৰস্তুতিৰ আৰম্ভণিৰ সন্ধিকালত আয়োজন কৰা এই উৎসৱে লেহ লাডাখৰ জনগণৰ বাবে যথেষ্ট গুৰুত্ব বহন কৰে। বিশ্ব শান্তি, উপযুক্ত বৰষুণ আৰু সমৃদ্ধিশালী শস্য চপোৱাৰ বাবে অনুকূল পৰিৱেশৰ কামনা কৰি এই পযেকীয়া প্ৰাৰ্থনা কৰা হয়।

০০০০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ বাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত নেপালে, ৱেষ্ট ইণ্ডিজক জয়ৰ বাবে ১৩৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৩৩ ৰান কৰে। প্ৰত্যুত্তৰত বেট ধৰিবলৈ আৰম্ভ কৰি ৱেষ্ট ইণ্ডিজে এই বাতৰি যুগুতোৱাৰ পৰলৈ ১১ অভাৰ আৰু তিনিটা বলত এটা উইকেটৰ বিনিময়ত ৯৪ ৰান কৰে।

প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দলে এই খেলখনত জয়লাভ কৰি প্ৰতিযোগিতাত জয়ৰ ধাৰা অক্ষুন্ন ৰখাৰ চেষ্টা চলাব। দুয়োটা দলে বৰ্তমানলৈ দুখনকৈ খেল খেলি ৪ পইণ্টকৈ অৰ্জন কৰিছে।

একেদৰে বিয়লি ৩ বজাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰ নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

সমাপ্ত